# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-June-2026 **Time :** 0755 Hrs.

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। প্ৰতি বছৰৰ দৰে এইবাৰো অম্বুবাচী মেলাক কেন্দ্ৰ কৰি নীলাচৰ বুকুত অৱস্থিত কামাখ্যা ধামলৈ অগণন সাধু-সন্যাসীৰ আগমন ঘটিছে। গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভীৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফচিকুনতা বজাই ৰখাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। অম্বুবাচী মেলা চলি থকা কেইদিনা নিয়মীয়াকৈ ফ'গিঙৰ ব্যৱস্থা কৰাৰ সমান্তৰালভাৱে প্ৰতিদিনে তিনিবাৰকৈ কামাখ্য ধামৰ চৌহদ চাফচিকুন কৰা হ'ব বুলি গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰনীয়াই কালি সংবাদ মাধ্যমক অৱগত কৰে।

*(বাইট ঃ শৰনীয়া)*

0000000

ৰাজ্য চৰকাৰে মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰৱৰ্তন কৰা বিনামূলীয়া মাচুল আঁচনিৰ বাবদ চৰকাৰী মহাবিদ্যালয়সমূহক চলিত ২০২৫-২৬ শিক্ষা বৰ্ষত ব্যয়পূৰ্তিৰ ধন হিচাপে ইতিমধ্যে ২০৪ কোটি ৯৪ লাখ টকা মুকলি কৰি দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই তথ্য সদৰি কৰি কয়, যে বিগত ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবেও মহাবিদ্যালয়সমূহে মাচুলৰ বাবদ ব্যয় কৰা ধন সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহৰ বাবে মুকলি কৰি দিয়া হৈছে। ৰাজ্য চৰকাৰে মুঠ ৩০ কোটি টকাৰ এটা অৱশিষ্ট পৰিমাণৰ ধন মুকলি কৰিবলৈ বাকী আছে যদিও অসম বিধানসভাৰ বাজেট অধিৱেশন সমাপ্ত হোৱাৰ লগে লগে সেয়া মুকলি কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে অৱগত কৰে। আৰ্থিক অসুবিধাৰ বাবে ৰাজ্যৰ কোনো যোগ্য শিক্ষাৰ্থীয়ে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগা নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে বিনামূলীয়া মাচুল আঁচনি সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ কয়।

0000000

ৰাজ্যৰ ভিন্ন প্ৰান্তত জিলা প্ৰশাসনসমূহে অবৈধ দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান অব্যাহত ৰাখিছে। ডিব্ৰুগড় জিলা প্ৰশাসনে কালি ব্ৰহ্মপুত্ৰৰ পাৰত অবৈধভাৱে ঘৰ সাজি বাস কৰি থকা কেইবাটাও পৰিয়ালৰ বাসগৃহত উচ্ছেদ চলায়। এই অভিযানৰ ফলত অঞ্চলবোৰত সঘনাই সংঘটিত হৈ থকা অসামাজিক কাৰ্যকলাপ আৰু মাদকদ্ৰব্যৰ প্ৰচলন ৰোধ হ'ব বুলি স্থানীয় লোকসকলে আশা প্ৰকাশ কৰিছে।

0000000

ডিব্ৰুগড় জিলাত নগৰীয়া পৰিবহণ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে যাতায়াতৰ সুবিধা বৃদ্ধিৰ উদ্দেশ্যে কালি অতিৰিক্ত জিলা আয়ুক্ত, ডিব্ৰুগড় পৌৰ নিগমৰ ভাৰপ্ৰাপ্ত আয়ুক্ত, জিলা পৰিবহণ বিষয়া আৰু যান-বাহন পৰিদৰ্শকে মুৰুলীধৰ জালান বাছ টাৰ্মিনাছ পৰিদৰ্শন কৰে। দলটোৱে বাছ টাৰ্মিনাছটোৰ বৰ্তমানৰ সুবিধাসমূহ, কাৰ্যকৰী ব্যৱস্থা আৰু সামগ্ৰিক আন্তঃগাঁথনি পৰ্যালোচনা কৰে। এই পৰিদৰ্শনে ৰাজহুৱা পৰিবহণ সেৱাৰ মান উন্নত কৰা, পৰিবহণ

আন্তঃগাঁথনিৰ দক্ষ ব্যৱস্থাপনা নিশ্চিত কৰা তথা যাত্ৰীসকলৰ বাবে অধিক নিৰাপদ আৰু আৰামদায়ক যাতায়াতৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত জিলা প্ৰশাসনৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে।

০০০০০০০

বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি শিৱসাগৰত চৰাইদেউ আৰু শিৱসাগৰ জিলা বিজেপিৰ বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰি দলৰ ভৱিষ্যৎ কাৰ্যসূচীৰ ৰূপৰেখা দাঙি ধৰে। তেওঁ বুথৰ পৰা ৰাজ্যিক পৰ্যায়লৈকে সকলো কাৰ্যকৰ্তাৰ সৈতে মত বিনিময় কৰে। দলীয় কাৰ্যকৰ্তাসকলক অধিক সক্ৰিয় কৰাৰ উদ্দেশ্যে দলটোৱে মণ্ডল আৰু জিলা পৰ্যায়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব বুলি তেওঁ প্ৰকাশ কৰে। সাংগঠনিক সভাৰ পাছত ৰাজ্যিক সভাপতিগৰাকীয়ে শিৱসাগৰ নগৰৰ কালীপ্ৰসাদ সোঁৱৰণী সভাগৃহত এখন সংবাদমেল সম্বোধন কৰে। প্ৰধানমন্ত্ৰী মোদীৰ ১২ বছৰীয়া কাৰ্যকাল উপলক্ষে ১০ জুলাইৰ পৰা এলানি কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি তেওঁ এই সংবাদমেলতে প্ৰকাশ কৰে। এই কাৰ্যসূচীসমূহৰ ভিতৰত গছপুলি ৰোপণ, যোগ দিৱস পালন আৰু ৰাইজৰ সৈতে সংযোগ অভিযান অন্তৰ্ভুক্ত হ'ব বুলি সভাপতি শ্ৰী শইকীয়াই প্ৰকাশ কৰে।

০০০০০০০

যোৰহাট জিলাৰ তিতাবৰৰ চৰাইপানী গোহাঁইবাৰী চাহ বাগিচাত চাহপাত চিঙি থকা অৱস্থাত বজ্ৰ পৰি কালি এগৰাকী শ্ৰমিকৰ মৃত্যু হয়। মৃত শ্ৰমিকগৰাকী বাগিচাখনৰ নিয়মীয়া কৰ্মী ৰুমা ওৰাং বুলি জানিব পৰা গৈছে। কৰ্মীগৰাকীক ততাতৈয়াকৈ হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০

**সমাপ্ত**